**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

অসমৰ জনসাধাৰণৰ বিপুল দাবীৰ পৰিপ্ৰেক্ষিতত আদৰৰ শিল্পী জুবিন গাৰ্গৰ আজি পুনৰ মৰণোত্তৰ পৰীক্ষা কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদমেল যোগে এই সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ছিংগাপুৰত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছিল যদিও ৰাইজে সমগ্ৰ ঘটনাটোক লৈ সন্দেহ প্ৰকাশ কৰাৰ লগতে বাৰম্বাৰ পুনৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে দাবী উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে বাধ্য হৈ এই সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি শেষকৃত্য সময়ৰ কিছু সালসলনি হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এইমহূৰ বিশেষজ্ঞ চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰিছে। কিছু সময়ৰ পাছতে শিল্পীগৰাকীক সৰুসজাই ষ্টেডিয়ামৰ পৰা শেষকৃত্যৰ বাবে সমদল কৰি লৈ যোৱা হ'ব।

মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত জুবিন গাৰ্গৰ পত্নীৰ বিষয়ে কোনো তথ্যবিহিনভাৱে আপত্তিজনক মন্তব্য কৰি থকা সকলক আইনে সহজভাৱে নল'ব বুলিও সকীয়াই দিয়ে। তেওঁ আৰক্ষী আৰু আইনৰ ওপৰত আস্থা ৰাখি চলিবলৈ আহ্বান জনায়। তেওঁ লগতে সামাজিক মাধ্যমত ঘটনাটোৰ সন্দৰ্ভত বিভ্ৰান্তিকৰ তথ্য বিয়পাই থকা সকলক আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাত বিবৃতি দিবলৈও পৰামৰ্শ দিয়ে। অসম আৰক্ষীৰ দল তদন্তৰ বাবে ছিংগাপুৰলৈ গৈ ঘটনাস্থলীৰ চিচিটিভি ফুটেজ সংগ্ৰহ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

oooooo

আজি অসমবাসীৰ হৃদয় উকা কৰি গানৰ জ্যোতিষ্ক নিৰ্বাপিত হ'ব। ৰাজ্যৰ সংগীত ক্ষেত্ৰত কাহানিও পূৰাব নোৱৰা শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অন্তেষ্টিক্ৰিয়া আজি দিনৰ ভাগত যোৰাবাটৰ সমীপৰ কমাৰকুছিত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব। শিল্পীগৰাকীক অনুৰাগীসকলে কালিও অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা নিবেদন কৰে। হিয়াৰ আমঠু শিল্পীগৰাকীক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি গোটেই নিশা অজস্ৰ গুণমুগ্ধই ভিৰ কৰে। আজি পুৱাৰে পৰা ষ্টেডিয়ামত শিল্পীগৰাকীক অন্তিমবাৰৰ বাবে দৰ্শন কৰিবলৈ বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি অন্ত্যেষ্টিক্ৰিয়াৰ স্থান পৰিদৰ্শন কৰি কয়, যে এই কাৰ্যসূচীত কেন্দ্ৰীয় চৰকাৰ আৰু বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু, সৰ্বানন্দ সোণোৱাল, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিধানসভাৰ বিৰোধী পক্ষৰ নেতা দেৱব্ৰত শইকীয়া আৰু মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীও শেষকৃত্য কাৰ্যসূচীত উপস্থিত থাকিব। সুকলমে এই কাৰ্য সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

আজি সৰুসজাই ষ্টেডিয়ামৰ পৰা অন্ত্যেষ্টিক্ৰিয়াৰ স্থানলৈ শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ লৈ যোৱা সময়ৰে পৰা শেষকৃত্য সম্পন্ন হোৱালৈ ভিডিঅ'গ্ৰাফী কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে আজি শেষকৃত্যত হ'বলগীয়া ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দিনৰ ২ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ ৰখা হ'ব আৰু আৰক্ষীয়ে আইন শৃংখলা ৰক্ষাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই জুবিন গাৰ্গৰ অন্তিম যাত্ৰাৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব।

জুবিন গাৰ্গৰ পৰিয়ালৰ সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সন্মানাৰ্থে আজি অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকিব। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহ বন্ধ থাকিব যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে কালি কমাৰকুছিত জুবিন গাৰ্গৰ শেষকৃত্য স্থান পৰিদৰ্শন কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সেই স্থান পৰিদৰ্শনৰ পাছত শিল্পীগৰাকীৰ সমাধিস্থলী বিশ্বমানৰ আৰু সৰ্বোৎত্তম ৰূপত নিৰ্মাণ কৰাৰ বাবে চৰকাৰক আহ্বান জনায়।

অসম জাতীয়তাবাদী ছাত্ৰ পৰিষদৰ এটা সজাতি দলে কালি শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান পৰিদৰ্শন কৰে। তেওঁলোকে ৰাইজৰ সুবিধা হোৱাকৈ সেই স্থান উপযোগী কৰি তুলিবলৈ আহ্বান জনায়।

ইপিনে কালিও জুবিন গাৰ্গক দেশ-বিদেশৰ বিভিন্ন সন্মানীয় ব্যক্তিয়ে আহি সৰুসজাই ষ্টেডিয়ামত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুকৰ বিশেষ প্ৰতিনিধিয়ে কালি শিল্পীগৰাকীক অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে।

oooooo

ডিব্ৰুগড় জিলাৰ লোহাৰপট্টি অঞ্চলৰ জুবিন গাৰ্গৰ অনুৰাগীসকলে কালি নিশা অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰোগী তথা আত্মীয়সকলক খাদ্য বিতৰণ কৰি শিল্পীগৰাকীৰ আদৰ্শক জীয়াই ৰখাৰ প্ৰচেষ্টা গ্ৰহণ কৰে। উল্লেখযোগ্য যে শিল্পীগৰাকীৰ আকস্মিক মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে ডিব্ৰুগড় জিলাতো বন্ধৰ স্বতঃস্ফূৰ্ত প্ৰভাৱ পৰে।

ইপিনে সমগ্ৰ ৰাজ্যতে ড্ৰাই ডে ঘোষণা কৰাৰ সময়তে ডিব্ৰুগড় জিলা প্ৰশাসনে কালি নিশা অভিযান চলাই চহৰখনৰ পুৰণি ৰে'লৱে ষ্টেচনৰ সমীপৰ ছুইপাৰপট্টিত অবৈধভাৱে মজুত ৰখা সুৰা জব্দ কৰাৰ লগতে জুৱাৰ আড্ডাও উৎখাত কৰে। ডিব্ৰুগড় ছাত্ৰ সন্থাৰ নিজাববীয়া অনুসন্ধানৰ জৰিয়তে এই অসাধু চক্ৰৰ ব্যৱসায় চলাই থকা কথাতো পোহৰলৈ আহে। পাছত জিলা প্ৰশাসন, আবকাৰী বিভাগ আৰু ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ উপস্থিতিত অঞ্চলটোত প্ৰশাসনে অভিযান চলাই বুজন পৰিমাণৰ অবৈধ সুৰা আৰু অন্যান্য নিষিদ্ধ সামগ্ৰী জব্দ কৰিবলৈ সমৰ্থ হয়।

oooooo

সমাপ্ত